BIKALI COLLEGE
DHUPDHARA
ESTD - 1982

# বিকালিয়ান

একাদশ সংখ্যা ঃ ২০১৭-১৮ শিক্ষা বৰ্ষ



সম্পাদিকা

মৌমিতা ৰয়

## Principal



Dr. Malina Devi Rabha

## Editorial Board



Dr. Prasanta Chakrabarty
Advisor



Dr. Malina Devi Rabha
Chairperson



Bhupati Das
Incharge



Dr. Seemashree Daimary
Teacher Member



Pankaj Rabha
Teacher Member



Amal Rabha
Teacher Member



Maumita Roy
Editor



Minakshi Nath
Student Member



Pankaj Rabha
Student Member

# বিকালিয়ান

## আলোচনী

## বিকালী মহাবিদ্যালয়

BIKALI COLLEGE
DHUPDHARA
ESTD - 1982

**একাদশ সংখ্যা**

২০১৭-২০১৮ ইং শিক্ষা বৰ্ষ

তত্বাৱধায়ক
**ভূপতি দাস**

সম্পাদিকা
**মৌমিতা ৰয়**

**BIKALIAN**

*The magazine of Bikali College, Dhupdhara, published by Bikali College Students' Union*
*Edited by Moumita Roy and Printed at White Leaf Publication, Dhupdhara.*




## সম্পাদনাৰ আঁৰত

উপদেষ্টা ঃ ড° প্ৰশান্ত চক্ৰৱৰ্ত্তী
সভানেত্ৰী ঃ ড° মলিনা দেৱী ৰাভা
তত্বাৱধায়ক ঃ ভূপতি দাস
শিক্ষক সদস্য/সদস্যা ঃ পংকজ ৰাভা, ড° সীমাশ্ৰী দৈমাৰী, অমল ৰাভা
সম্পাদিকা ঃ মৌমিতা ৰয়
ছাত্ৰ সদস্য/সদস্যা ঃ মীনাক্ষী নাথ, পংকজ ৰাভা
বেটুপাত ঃ সম্পাদনা সমিতি
মুদ্ৰণ ঃ হ'ৱাইট লিফ পাব্লিকেশ্বন, ধূপধৰা



## শ্ৰদ্ধাঞ্জলি

ভাৰতৰ জাতীয় জীৱনৰ এটি উজ্জ্বল নক্ষত্ৰ- যাৰ বিশাল ব্যক্তিত্বই স্বদেশ আৰু সমগ্ৰ বিশ্বকে মোহিত কৰিছিল - যাৰ তেজৰ শিৰা-উপশিৰাই প্ৰতি মুহূৰ্ততেই স্বদেশ প্ৰেমৰ সোঁত প্ৰৱাহিত হৈছিল যি গৰাকী মহান ভাৰতীয়ই সৰ্বোচ্চ ত্যাগেৰে দেশ মাতৃৰ মঙ্গলৰ হকে নিজকে উৎসৰ্গা কৰিছিল জাতি, ধৰ্ম, বৰ্ণ, ৰাজনৈতিক দল নিৰ্বিশেষে যি গৰাকী মহান ভাৰতীয়ৰ ওচৰত সকলোৱে শিৰনত কৰিছিল বিশাল ভাৰতীয় সংস্কৃতি আৰু আদৰ্শৰ চিৰ পূজাৰী স্বাধীন ভাৰতবৰ্ষৰ এগৰাকী

শ্ৰেষ্ঠ প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু আমাৰ মাজত নাই যেৱা ১৬ আগষ্ট, ২০১৮ ইং তাৰিখে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে বিশ্বৰ ভিন্ন প্ৰান্তৰ অনুৰাগীসকলক কন্দুৱাই ইহ লীলা সম্বৰণ কৰে লগতে গোৱালপাৰাৰ গৌৰৱ বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক, অভিনেতা, যাদুঃদুপ্পাৰ ৰূপ. কাৰ নাট্যসম্ৰাট শুক্ৰাচাৰ্য্য ৰাভাই আকস্মিকভাৱে যেৱা ৮ জুন, ২০১৮ ইং তাৰিখে ইহলীলা সম্বৰণ কৰে। মানৱ দৰদী, প্ৰকৃতিপ্ৰেমী শিল্পী ৰাভাদেৱে শালনিৰ মাজত মুকলি মঞ্চত বিশেষ শৈলীৰে নাট পৰিৱেশন কৰি দেশ-বিদেশৰ নাট্যকৰ্মীৰ বিশেষ সমাদৰ লাভ কৰাই নহয় নাটকৰ ক্ষেত্ৰখনত তেওঁ এটি নতুন ধাৰা আমাক দি গ'ল,

এই দুয়ো গৰাকী পুণ্যাত্মা ব্যক্তিৰ লগতে জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদ তথা মহান পুৰুষসকলৰ পবিত্ৰ সোঁৱৰণত বিকালিয়ানৰ একাদশ সংখ্যা উৎসৰ্গা কৰিলোঁ।

**Sri Dipak Kumar Rabha**
MLA
36 Dudhnoi (ST) Constituency

सत्यमेव जयते

Old MLA Hostel, Qtr. No. 12
Dispur, Guwahati-6, Assam
Phone : 9435128064, 8876528064

*Ref:*. ..............................                                    *Date* .................................



## শুভেচ্ছাবাণী

অহা ৫ ছেপ্তেম্বৰ, ২০১৮ ইং তাৰিখে শিক্ষক দিৱসৰ লগত সংগতি ৰাখি বিকালী মহাবিদ্যালয় একাদশ সংখ্যক বাৰ্ষিক আলোচনী "বিকালিয়ান" প্ৰকাশ পাব বুলি জানিব পাৰি নথৈ আনন্দিত হৈছোঁ।

আশা ৰাখিছোঁ বিকালী মহাবিদ্যালয়ৰ দাপোণস্বৰূপ "বিকালিয়ান"খন মহাবিদ্যালয়ৰ নবীন-প্ৰবীণ লেখক-লেখিকাসকলৰ সাহিত্য চৰ্চা আৰু সৃষ্টিৰ এক শক্তিশালী মঞ্চ হওক তাৰ কামনাৰে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, ছাত্ৰ-ছাত্ৰী, শিক্ষকবৃন্দ আৰু কৰ্মকৰ্তা সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ইতি—

DIPAK KUMAR RABHA
M.L.A.
36 Dudhnoi (ST) LAC

# অসম সাহিত্য সভা

১৮৬০ চনৰ ২১নং আইন অনুসৰি ১৯২৪ চনত পঞ্জীকৃত আৰু ২০১৫ খ্ৰীষ্টাব্দত নবীকৃত
পঞ্জীয়ন নং - যোৰ/২৩৮/জি/১৪
কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ঐতিহ্য ভৱন, যোৰহাট - ৭৮৫০০১ ▶ ☎(০৩৭৬)২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদবৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১ ▶ ☎(০৩৬১)২৫১৫৮৩০
ডিফু কাৰ্যালয় ঃ বাংছিলা ভৱন, ডিফু - ৭৮২৪৬০ ▶ ☎(০৩৬৭১)২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▶ ☎(০৩৬৬২)২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ▶ ☎(০৩৭৩)২৩১৫১২৮
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১ ফেক্স- ☎(০৩৮৪)২২৬৩৭৯৭
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ- ৭৮৭০০১
নগাঁও আঞ্চলিক কাৰ্যালয়, কমলাদেৱী তোমী স্মৃতি ভৱন, মহিচন্দ্ৰ বৰা পথ, নগাঁও- ৭৮২০০১
জালাহ আঞ্চলিক কাৰ্যালয়, অচ্যুত-নিবেদিতা মেধি ভৱন, জালাহ, জালাহঘাট- ৭৮১৩২৭
মঙলদৈ আঞ্চলিক কাৰ্যালয়, সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং- ৭৮৪১২৫
Website:www.asamsahilyasabha.org ■ E-mail-asam.sahitya.sabha@gmail.com



## শুভাঞ্জলি

গোৱালপাৰা জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান বিকালি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ 'বিকালিয়ান' নামেৰে প্ৰকাশ কৰিব বুলি জানিবলৈ পায় মই নথৈ আনন্দ অনুভৱ কৰিছো। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীবৃন্দৰ সেউজীয়া অনুভৱৰ বটবৃক্ষ হৈছে এই মুখপত্ৰ 'বিকালিয়ান'।

আমি জানো যে মূলতঃ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত সাহিত্য প্ৰতিভা বিকাশৰ মাধ্যম হিচাপে, সাহিত্য চৰ্চাৰ মঞ্চৰূপে চিহ্নিত হয় মহাবিদ্যালয়সমূহৰ মুখপত্ৰ। শিক্ষক-শিক্ষাৰ্থী-কৰ্মচাৰীসকলৰ কলমেৰে নিগৰা সাহিত্য প্ৰতিভাৰ অমল স্বাক্ষৰ বহন কৰিবলগীয়া মুখপত্ৰখনত ছাত্ৰ-ছাত্ৰীসকলৰ মনত গঁজালি মেলা নতুন চিন্তাই স্বকীয় সাহিত্যৰ সেউজী পথাৰখন চহকী কৰিব বুলি মই পৰম আশাবাদী।

মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মুখপত্ৰ 'বিকালিয়ান' জাকত-জিলিকা ৰূপত প্ৰকাশ হোৱাৰ আন্তৰিক শুভাঞ্জলি নিবেদিছো।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

দিনাংক ঃ ১৭ আগষ্ট, ২০১৮ খ্ৰীষ্টাব্দ

(ড° পৰমানন্দ ৰাজবংশী)
সভাপতি, অসম সাহিত্য সভা
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-১

E:\Abhijit\GHT OFFICE 2018-2020\PARAMANANDA RAJBONGSHI

Office of The Principal

# BIKALI COLLEGE :: DHUPDHARA

A NAAC Accredited Grade B Institution
P.O. : Dhupdhara : Dist.: Goalpara : Assam: PIN- 783123
*Website: www.bikalicollege.org.*
*Email: bikalicollege@gmail.com*

Dr. Malina Rabha, M.A, M.Phil. Ph.D
Principal & Secretary
Bikali College, Dhupdhara

Phone & Fax: 03663-284331 (O)



## শুভেচ্ছাবাণী

অসমৰ পুব প্ৰান্তত অৱস্থিত গোৱালপাৰা জিলাৰ দুৱাৰমুখ ধূপধৰা চহৰত অৱস্থিত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান বিকালী মহাবিদ্যালয়, অইন বেলিৰ দৰে ২০১৭-২০১৮ বৰ্ষৰ বাৰ্ষিক মুখপত্ৰখনি প্ৰকাশ কৰিব বুলি জানি সন্তোষিত হৈছো। উচ্চ শিক্ষাৰ এখনি অগ্ৰণী অনুষ্ঠান হিচাপে অঞ্চলটিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, সামাজিক তথা মানসিক উৎকৰ্ষ সাধনত মহাবিদ্যালয়খনে প্ৰভূত বৰঙনি আগবঢ়াই আহিছে।

মহাবিদ্যালয়ৰ মুখপত্ৰ 'বিকালিয়ান'খনে সকলোৰে জীৱনলৈ জ্ঞানৰ জেউতি কঢ়িয়াই আনক, নবীন-প্ৰবীণ লেখক-লেখিকাৰ সৃষ্টিশীল লেখনিয়ে নৱপ্ৰজন্মক জ্ঞানৰ খোৰাক জগাওক - তাৰেই কামনা কৰি মুখপত্ৰখনিৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভকামনা যাচিলোঁ।

জয়তু বিকালী মহাবিদ্যালয়।

ড° মলিনা দেৱী ৰাভা
অধ্যক্ষা
বিকালী মহাবিদ্যালয়, ধূপধৰা

দিনাংক ঃ ৩০ আগষ্ট/২০১৮ খ্ৰীষ্টাব্দ



# তত্ত্বাৱধায়কৰ এষাৰ

অষ্টাদশ শতিকাত শিক্ষা জগতত নৱজাগৰণৰ অভ্যুত্থান হৈছিল। ইয়াৰ ফলত শিক্ষা ক্ষেত্ৰলৈ নতুন ধ্যান ধাৰণা আৰু আশা-আকাংক্ষাৰ সমাৱেশ ঘটিল। বিশেষকৈ এই সময়ত বিকশিত শিশুকেন্দ্ৰিক শিক্ষাৰ ধাৰণা বিশ্বৰ ভিন্ন প্ৰান্তলৈ সম্প্ৰাসাৰিত হ'বলৈ ধৰিলে। পূৰ্বৰ শিক্ষাক সৰ্বোচ্চ শিক্ষা ব্যৱস্থাৰ স্থান শিশুকেন্দ্ৰিক শিক্ষাই দখল কৰাৰ লগে লগে নৱ চিন্তা-চেতনাৰ উন্মেষ সাধন হ'বলৈ ধৰিলে। শিশুৰ আশা-আকাংক্ষা, ৰুচি-অভিৰুচি, কৰ্মস্পৃহা আদি দিশসমূহৰ সৈতে মনোবিজ্ঞানৰ নীতিসমূহ সংপৃক্ত হোৱাৰ ফলত শিক্ষাৰ লক্ষ্য আৰু আদৰ্শৰ সলনি হ'বলৈ ধৰিলে। ইয়াৰ ফলত শিশুকেন্দ্ৰিক শিক্ষাৰ জনপ্ৰিয়তা বৃদ্ধি পাবলৈ ধৰিলে। ৰুছো, ফ্ৰবেল, মন্টেছৰি, জন ডিউৱে, পেষ্টালজি, মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰমুখ্যে বিশ্ব আগশাৰীৰ শিক্ষাবিদসকলৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলত শিক্ষাই নতুন মাত্ৰ লাভ কৰিলে।

শিশুৰ সমস্ত আশা-আকাংক্ষা আৰু কৰ্মস্পৃহা দৰাচলতে কি দৰে মানুহ গঢ়াৰ কামত প্ৰয়োগ কৰিব পৰি তেনে চিন্তাৰ ফলশ্ৰুতিত ঊনবিংশ শতিকাত বহিঃ পাঠ্যক্ৰম আৰু পৰৱৰ্তী কালত সহঃ পাঠ্যক্ৰমৰ ধাৰণাই শিক্ষাৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সংযোগ ঘটিল। সেইবাবে আজিৰ শিশুৱে কেৱল বিদ্যায়তনিক দিশত লাগি নাথাকি ব্যক্তিত্বৰ সৰ্বাংগীণ উৎকৰ্ষ সাধনত কিদৰে ব্ৰতী হ'ব পাৰে সেই প্ৰতিশ্ৰুতিৰে সহঃ পাঠ্যক্ৰম শিক্ষাৰ এটি অবিচ্ছেদ্য অংগ। ই শিক্ষাৰ্থীক মানসিক পৰিতৃপ্তি প্ৰদান কৰাৰ উপৰিও ব্যক্তিত্ব বিকাশৰ সমস্ত পথ সুগম কৰে। ইয়াৰোপৰি শিশুৰ দেহ মানসিক, আৱেগিক, সামাজিক, সাংস্কৃতিক আদিৰ সৰ্বাংগীণ বিকাশৰ দিশসমূহ পৰিস্ফুত কৰে। সাম্প্ৰতিক কালৰ বহু চৰ্চিত দক্ষতা বিকাশৰ এক উল্লেখযোগ্য উপাদান হ'ল - সহঃ পাঠ্যক্ৰমিক কাৰ্যসূচীসমূহ। সুপৰিকল্পিত আৰু প্ৰণালীবদ্ধ ভাবে গ্ৰহণ কৰা সহঃপাঠ্যক্ৰমিক কাৰ্যাৱলীয়ে শিশুক জীৱিকাৰ পথৰ সন্ধান দিব পাৰে। সেইবাবে শিক্ষানুষ্ঠানসমূহে নিয়মীয়া সহঃপাঠ্যক্ৰমিক কাৰ্য্যাৱলী অনুশীলনৰ ব্যৱস্থা কৰিলে উঠি অহা প্ৰজন্মই যথেষ্ট উপকৃত হ'ব বুলি চিন্তাবিদ সকলে ঠাৱৰ কৰিছে।

সহঃপাঠ্যক্ৰমিক কাৰ্যাৱলীৰ অবিচ্ছেদ্য অংগ হিচাপে সাহিত্য চৰ্চাৰ প্ৰয়োজনীয়তা সবাৰো উৰ্দ্ধত। স্কুল, কলেজ সমূহত সাহিত্য চৰ্চাৰ এটি অনুকূল পৰিৱেশ গঢ়ি তুলিলে বিশৃংখল যুৱ সমাজক প্ৰকৃত পথৰ সন্ধানো দিব পাৰি। পিছে সাহিত্য চৰ্চাৰ দৰে এটি জটিল বিষয়ৰ কাম কৰিবলৈ যাওঁতে আমাৰ কিছু সমস্যা নথকাও নহয়।

বিজ্ঞান আৰু প্ৰযুক্তিৰ চমকপ্ৰদ আৱিষ্কাৰে মানৱ জীৱনলৈ ন-ন প্ৰতিশ্ৰুতি কঢ়িয়াই আনিছে। প্ৰযুক্তি বিজ্ঞানৰ আশাতীত সাফল্যই আমাক উপহাৰ দিছে বিলাসী আৰু স্বাচ্ছন্দ্য জীৱন-যাপনৰ সুন্দৰী পথ। কিন্তু কেৱল প্ৰযুক্তিৰ আশীৰ্বাদপুষ্ট হৈ পৰিচালিত জীৱন এতিয়া হৈ পৰিছে যান্ত্ৰিক, অৰ্থহীন, হৃদয়হীন আৰু কৰ্মবিমুখ সংস্কৃতিৰে পৰিপূৰ্ণ। আমাৰ পুৰাতন সংস্কৃতি, ঐতিহ্য আৰু অনুভৱী হৃদয়লৈ ই কঢ়িয়াই আনিছে ন-ন প্ৰত্যাহ্বান। আজি সমগ্ৰ মানৱ জাতি হৈ পৰিছে অসহায়, পঙ্গু আৰু স্বাৰ্থান্ধ। অন্ধকাৰ ভৱিষ্যতলৈ যেন ধাৱিত হৈছে আমাৰ কৰ্ম প্ৰেৰণা আৰু আশা-আকাংক্ষা। ইয়াৰ ফলত প্ৰচুৰ্যতাৰ মাজতো আমি যেন অসুখী, চৌদিশ কেৱল হাহাকাৰ আৰু হাহাকাৰ। আমি ক্লান্ত, সীমাহীন দুৰ্যোগৰ মায়াপাশত আবদ্ধ যেন এক প্ৰকাণ্ড অক্টোপাছ চৌদিশৰ পৰা আমাক গ্ৰাস কৰিবলৈ ধৰিছে।

এক অস্থিৰ অৰ্থহীন আৰু প্ৰাণ স্পন্দনহীন জীৱন শৈলীয়ে আমাৰ যুৱক-যুৱতীসকলকো হাতবাউল দি মাতি আছে। অদূৰত ৰৈ থকা অতীতলৈ ঘূৰি চোৱাৰ তেওঁলোকৰ আহৰি নাই। তেওঁলোক এক বিৰাট শূন্য। যুৱক-যুৱতীসকল দেশৰ ধৰণী স্বৰূপ। তেওঁলোকক লৈ দেশ আৰু জাতিৰ অযুত সপোন। দেশে বহুত আশাৰে বাট চাই আছে এইচাম যুৱক-যুৱতীৰ সমস্ত কৰ্ম প্ৰেৰণা দেশ নিৰ্মাণৰ কামত অৰ্পিত হওক। ত্যাগ, স্বাৰ্থহীনতা, মানৱতাবোধ, ভাতৃত্ববোধৰ উজ্জ্বলিত বন্তি শিখাই উদ্ভাসিত কৰক আমাৰ এই চাম যুৱক-যুৱতীৰ প্ৰাণ।

আমি আশাকৰো যুৱক-যুৱতীসকলৰ সৃষ্টিশীল প্ৰেৰণাই উত্তোলিত কৰক এটি শক্তিশালী জাতিৰ বিজয় নিচান। তেওঁলোকে সৃষ্টিৰ সোণোৱালী পথাৰত অংকুৰণ কৰক মানৱতাৰ বীজ। সেই আশাৰে বিকালী মহাবিদ্যালয়ৰ মুখপত্ৰ 'বিকালিয়ান' নিয়মীয়াভাৱে প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। আমি আশা কৰোঁ জীৱন, সমাজ আৰু জাতিক ভালপোৱাৰ আশা-আকাংক্ষা সমূহ তেওঁলোকৰ লিখনিত পৰিস্ফুট হওঁক। ইয়ে বৌদ্ধিক উত্তোৰণৰ পথ সুগম কৰে, ব্যক্তিত্বক পৰিপূৰ্ণ ৰূপত গঢ়ি তোলে। কিন্তু বাৰে বাৰে আমাৰ আশাত চেঁচা পানী পৰিবলৈ ধৰিছে।

অইন অইন বছৰৰ দৰে এইবেলিও আমি আশা কৰিছিলোঁ সুন্দৰ লিখনিৰে 'বিকালিয়ান'ৰ পৃষ্ঠা শুৱনি হৈ পৰক। কিন্তু তেওঁলোকৰ কাপৰ পৰা নিগৰি অহা লিখনীসমূহ দেখি বাৰুকৈয়ে মৰ্মাহতহৈছোঁ। আমি বাৰে বাবে উজুটি খাই পৰিছো সৃষ্টিৰ খলা-বমা পথৰ এই দুৰৱস্থা দেখি। লিখিনিৰ মানদণ্ড দেখি আমি বৰ সচকিত হৈ পৰিছোঁ।

সাহিত্য হ'ল এটা জাতিৰ দাপোণ স্বৰূপ। এটি সংস্কৃতি ৱান জাতিৰ আশা-আকাংক্ষা সাহিত্যৰ মাজেদি প্ৰকাশ পায়। সমসাময়িক ঘটনাপঞ্জী, বিজ্ঞান প্ৰযুক্তিৰ চমকপ্ৰদ আৱিষ্কাৰে সমাজত দেখা দিয়া দুৰ্নীতি, ৰাজনৈতিক ভ্ৰষ্টাচাৰ, দলীয় সংঘৰ্ষ, শোষণ, নিষ্পেষণ, বিচ্ছিন্নতাবাদ, নাৰী নিৰ্যাতন, অন্ধ বিশ্বাস আদি প্ৰত্যাহ্বান সমূহ লিখনীৰ মাজত সাৱলীল গতিত প্ৰকাশ পাব বুলি আমি বৰ আশা কৰিছিলোঁ। কিন্তু বাস্তৱত সেয়া হৈ নুঠিল। ইয়াৰ কাৰণ হ'ল অধ্যয়ন বিমুখতা, বিষয়বস্তু নিৰ্বাচনৰ অক্ষমতা আৰু নিয়মীয়া চৰ্চাৰ অভাৱ। অতি নগণ্য সংখ্যক ছাত্ৰ-ছাত্ৰীৰ লিখনীতহে বাস্তৱ সত্যৰ উপলব্ধি কিছু পৰিস্ফুট হৈছে যদিও বুজন সংখ্যক লিখনিৰ মানদণ্ড বৰ দুখ লগা। দুই এজনৰ লিখনীত বক্তব্য প্ৰকাশৰ চেষ্টা কৰা হৈছে যদিও ভাষাৰ লালিত্য আৰু সৌন্দৰ্য বৰ দুখ লগা। ইয়াৰ বাবে সম্পাদনাৰ কামত বৰ জটিলতাই দেখা দিছিল। তথাপি আমি তেওঁলোকক নিৰাশ নকৰি যথাসম্ভৱ সম্পাদনাৰে লিখনীসমূহ প্ৰকাশৰ ব্যৱস্থা কৰিছোঁ। আমাৰ উদ্দেশ্য হ'ল যুৱক-যুৱতীসকলৰ মাজত এক সুস্থিৰ লিখাৰ বাতাৱৰণ গঢ়ি তোলাৰ। আমাৰ এই উদ্দেশ্য হৃদয়ঙ্গম কৰি পৰৱৰ্তী কালত অধিক উন্নত আৰু মান বিশিষ্ট লিখনীৰ বাবে ছাত্ৰ-ছাত্ৰীসকল এতিয়াৰ পৰাই প্ৰতিজ্ঞাবদ্ধ হওঁক।

এইবেলিৰ বিকালিয়ানখন আমি কিছু ব্যতিক্ৰম ৰূপত প্ৰকাশ কৰিম বুলি ভাবিছিলো যদিও বাস্তৱত সেয়া সম্ভৱ হৈ নুঠিল। আলোচনী প্ৰকাশৰ পূৰ্বৰ পীড়াই এইবাৰো আমাক সংগ নেৰিলে। তথাপি বিকালিয়ানৰ সম্পাদিকা মিচ্ মৌমিতা ৰয়ে অশেষ কষ্ট কৰি আলোচনীখন প্ৰকাশৰ যোজা কৰা বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। লেখক-লেখিকাসকলোক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**ভূপতি দাস**
তত্ত্বাৱধায়ক, বিকালিয়ান

•••

# সম্পাদকীয়



জয় জয়তে মই বিকালী মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, বন্ধু-বান্ধৱী তথা সকলো ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধাভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। নমস্য মহান বিদ্যানুৰাগী তথা সমাজসেৱী ব্যক্তিৰ আপ্ৰাণ চেষ্টা আৰু অসীম ত্যাগৰ বিনিময়ত গোৱালপাৰা জিলাৰ পূব প্ৰান্তত অৱস্থিত ধূপধৰা অঞ্চলৰ বিকালী মৌজাৰ অন্তৰ্গত তথা ওচৰ চুবুৰীয়া আৰু বহুকেইখন গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে 'বিকালী মহাবিদ্যালয়' নামৰ এই পৱিত্ৰ বিদ্যা মন্দিৰটো ১৯৮২ চনত গঢ় লৈ উঠে। তেওঁলোকৰ সেই কষ্ট সহিষ্ণুতা, ত্যাগ, চিন্তা, বুদ্ধি বৃত্তিৰ বাবেই আজি আমি ইয়াত সুন্দৰ ভাবে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হৈছোঁ। সেইসকল নমস্য মহান ব্যক্তিক যিসকল ব্যক্তিয়ে এই পৱিত্ৰ জ্ঞান মন্দিৰটি গঢ়ি তোলাত অহোপুৰুষাৰ্থ চেষ্টা চলাইছিল আৰু আজি অশেষ কষ্ট, ত্যাগ স্বীকাৰ কৰি ইহলীলা সম্বৰণ কৰি গ'ল; তেওঁলোকলৈ মই শ্ৰদ্ধাৰ্ঘ্য যাচিলোঁ। জাতিটোৰ ভাষা, সাহিত্য, কলা-সংস্কৃতি, শিক্ষা আদিৰ ভেটি বান্ধি যোৱা মহান শত সহস্ৰ জনকো মই সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ লগতে জাতিৰ সাহিত্যৰ ক্ষেত্ৰখনত বৰ্তমানেও উৰ্ব্বৰা কৰি ধৰি ৰখা সাহিত্যানুৰাগী নমস্য জনক জনালোঁ শত সহস্ৰ প্ৰণিপাত। এই সম্পাদকীয়ৰ জৰিয়তে মই একাঁজলি হিয়াভৰা অশ্ৰু অঞ্জলি যাচিছোঁ সেই সকল পুণ্যাত্মা বীৰ শ্বহীদলৈ যিসকল বীৰ শ্বহীদে আমাৰ দেশ-মাতৃৰ হকে, নিজৰ জাতিৰ হকে প্ৰাণ আহুতি দিলে।

যিকোনো কাম কৰিম বুলি কোৱাটো যিমান সহজ সেয়া কাৰ্যত পৰিণত কৰিবলৈ খুবেই টান। বাধাৰ প্ৰাচীৰ ভাঙি প্ৰতি মুহূৰ্তত অশেষ কষ্ট স্বীকাৰ কৰিব পৰাৰ ক্ষমতা আমাৰ থাকিব লাগিব। সেয়েহে মই ২০১৭-১৮ ইং শিক্ষা বৰ্ষৰ আলোচনী সম্পাদিকা পদৰ বাবে নিৰ্বাচন প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো। মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ পৰা বিপুল ভোট লাভ কৰি প্ৰতিদ্বন্দ্বিতাত জয়ী হৈছিলো। পদত অধিষ্ঠিত হৈ প্ৰধান কৰ্তব্য হিচাপে মই বছৰেকীয়া আলোচনী 'বিকালিয়ান' খন প্ৰকাশ কৰিম বুলি মৰসাহ কৰিছিলোঁ। কিন্তু পাৰিম জানো। ই সন্দেহৰ আৱৰ্তত বিৰাজমান আছিল। তথাপি তত্ত্বাৱধায়ক ছাৰৰ সাহস তথা সকলোৰে মোৰ প্ৰতি থকা বিশ্বাসক আশীৰ্বাদ হিচাপে লৈ 'বিকালিয়ান'খনৰ একাদশ সংখ্যা প্ৰকাশ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছোঁ। নাজানো কিমান খিনি সফলতা অৰ্জন কৰিব পাৰিম। সেয়া সুধী বিজ্ঞ সমাজে ইয়াৰ মাফ-কাঠী বুলি মই ভাবো।

"ছাত্রনাং অধ্যয়নাং তপঃ। অধ্যয়নেই হ'ল ছাত্ৰ-ছাত্ৰীৰ প্ৰধান কৰ্তব্য। কিন্তু অকল অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰহে বৃদ্ধি হ'ব পাৰে কিন্তু ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাৰ বিকাশ নঘটে। সেয়ে বিভিন্ন খেল-ধেমালি, নৃত্য-গীত, অভিনয়, নিজস্ব চিন্তা-ভাৱনা তথা ৰুচি-অভিৰুচিৰে লিখা-মেলা কৰা এইবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ একো একোটা মাধ্যম। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ লগত নিজৰ নিজৰ সুপ্ত প্ৰতিভা সমূহ বিকাশৰ বাবে যত্ন কৰিব লাগে। কিন্তু বৰ্তমান সময়ত দেখা যায় বিজ্ঞানৰ বহুল প্ৰচলন তথা ইণ্টাৰনেটৰ বহুল প্ৰয়োগ ছাত্ৰ-ছাত্ৰীসকলে অবাবতেই কৰি থাকে আৰু সৃষ্টিশীল কৰ্মত কোনো মনোনিৱেশ বা আগ্ৰহ প্ৰকাশ নকৰে। যাৰ ফলত উঠি অহা নৱ প্ৰজন্মৰ বহুসংখ্যকেই ধ্বংসৰ দিশে গতি কৰিবলৈ আৰম্ভ কৰিছে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভাৱ, চিন্তা, ৰুচি-অভিৰুচিৰ সৃজনশীল দিশত নিজকে মনোনিৱেশ কৰি নিজৰ নিজৰ সুপ্ত প্ৰতিভাবোৰ বিকাশ সাধন কৰিবলৈ আপ্ৰাণ চেষ্টা হাতত ল'ব লাগে।

সাহিত্য হৈছে এটা জাতিৰ দাপোণ স্বৰূপ। এটা জাতিৰ ভাষা সাহিত্য, কলা-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, শিক্ষা আদি সকলো দিশৰ সুন্দৰ নিদৰ্শন পোৱা যায় সেই জাতিটোৰ সাহিত্যৰ যোগেদি। সাহিত্য জাতিৰ প্ৰাণ স্বৰূপ। সাহিত্য অবিহনে এটা জাতি জীয়াই থাকিব নোৱাৰে। বোৱঁতী নদীৰ সৈতে সাহিত্যক তুলনা কৰা হয়। সাহিত্য মানৱ জীৱনৰ মেৰুদণ্ড স্বৰূপ। সাহিত্য মানৱ জীৱনৰ অভিজ্ঞতা পুষ্ট ভাবৰ বহিঃ প্ৰকাশ। সাহিত্যিকৰ কলমে ব্যক্তিগত জীৱনৰ পৰা আৰম্ভ কৰি সমাজত সংঘটিত হোৱা অন্যায়, অত্যাচাৰ, হত্যা আদি সকলোবোৰ সামৰি লয় আৰু তাৰ মাজেৰে তেওঁলোকৰ নিজস্ব চিন্তা ধাৰাৰ বহিঃ প্ৰকাশ ঘটে। তেনে এটা আশা বুকুত বান্ধি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সামাজিক চেতনাৰে উদ্বুদ্ধ লিখনি আশা কৰিছিলো।

ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত মহাবিদ্যালয়ৰ আলোচনী এখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। সেয়ে এনে এক মহান উদ্দেশ্য আগত ৰাখিয়েই আমাৰ মহাবিদ্যালয় খনতো 'বিকালিয়ান' নামৰ আলোচনীখন নিয়মীয়াকৈ প্ৰকাশ কৰা হয়। উক্ত আলোচনীখনৰ যোগেদি বহুত সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ চিন্তাধাৰাক মূৰ্ত ৰূপ দিবলৈ সুবিধা লাভ কৰে। কিন্তু বৰ্তমান সময়ত সেই দিশটোৰ ওলোটা ফলহে পৰিলক্ষিত হোৱা দেখা যায়। আলোচনীখনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সৃষ্টিশীল বা মৌলিক লিখনি লাভ কৰাটো খুবেই কঠিন হৈ পৰিছে। আলোচনী এখনৰ মানদণ্ড বহন কৰে তাৰ ভিতৰত থকা লেখক লেখিকাৰ লিখনিসমূহে। কিন্তু মই বিকালী মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ পৰা তেনেধৰণৰ মানবিশিষ্ট লিখনিৰ অভাৱ খুবেই অনুভৱ কৰিছোঁ। আলোচনীখন প্ৰকাশ কৰিবলৈ লৈ এনে পুতৌ লগা অৱস্থা দেখি মই বিমোৰত পৰিছিলো। তথাপি কম সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উৎকৃষ্ট লিখনীৰে আৰু নবীন-প্ৰবীণ ছাত্ৰ-ছাত্ৰীসকলে লিখা লিখনিসমূহ উৎসাহ তথা প্ৰেৰণা দিয়াৰ মানসেৰে যথাসম্ভৱ সম্পাদনা ৰীতিৰে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিলো। তেওঁলোকে যেন আগন্তুক দিনবোৰত উৎকৃষ্ট মানৰ লিখনীৰে 'বিকালিয়ান' খনৰ সৌষ্ঠৱ বৃদ্ধি কৰে আৰু বৰ্তমানৰ এই অভাৱ আগলৈ মষিমূৰ কৰে তাৰেই কামনা কৰিলোঁ।

সাম্প্ৰতিক কালত ঘটি থকা সকলোবোৰ ঘটনা সাহিত্যৰ মাধ্যমেৰে প্ৰকাশ পায়। সেয়ে মহাবিদ্যালয়ৰ আলোচনী এখনতো মহাবিদ্যালয় এখনৰ বাস্তৱ চিত্ৰ, চিন্তা-চেতনা, জ্ঞান-বুদ্ধিৰ প্ৰতিফলন ঘটে ছাত্ৰ-ছাত্ৰীসকলৰ লিখনীসমূহৰ যোগেদি। বুকুত মৰসাহ গোটাই অতি কষ্টেৰে আলোচনীখন প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰি নিজৰ সীমিত জ্ঞান-বুদ্ধিৰে আজি 'বিকালিয়ান' খন প্ৰকাশৰ বাবে প্ৰস্তুত কৰিলো। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত ভুল-ভ্ৰান্তি নৈ নোযোৱা বুলি সন্দেহাতীত নহওঁ। সেয়ে পাঠক সমাজে তথা সচেতন সাহিত্যানুৰাগীয়ে গঠনমূলক

সমালোচনাৰে ভুল-ত্ৰুটিসমূহ আঙুলিয়াই দিলে পৰৱৰ্তী প্ৰকাশ ইয়াতকৈ সুন্দৰ হ'ব বুলি আশা কৰিলোঁ।

শেষত আলোচনীখন উলিওৱাত দিহা-পৰামৰ্শ আগবঢ়োৱা আলোচনী সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া ক্ৰমে - মাননীয় অধ্যক্ষা ড° মলিনা দেৱী ৰাভা, ড° এম. গোপাল সিংহ, উপদেষ্টা ড° প্ৰশান্ত চত্ৰৱৰ্ত্তী, তত্বাৱধায়ক মাননীয় শ্ৰীযুত ভূপতি দাস, শ্ৰীযুত পংকজ ৰাভা, শ্ৰীযুত অমল ৰাভা, ড° সীমাশ্ৰী দৈমাৰী, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পংকজ ৰাভা, সভানেত্ৰী মীনাক্ষী নাথ বাইদেউ সকলোকে মই মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ উপৰিও মোক আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত প্ৰতিটো মুহূৰ্ততে সাহস দিয়া মোৰ শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা সকলোলৈও মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব ৰুচি-অভিৰুচিৰে তথা চিন্তা-চৰ্চাৰে কবিতা, গল্প, প্ৰবন্ধ, মহৎ লোকৰ বাণী আদিৰ দৰে বিভিন্ন ৰচনা সম্ভাৰেৰে 'বিকালিয়ান'খন প্ৰকাশ কৰি তোলাত সাফল্য মণ্ডিত কৰিলে সেই সকলোলৈও মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখনৰ প্ৰচ্ছদ ছবিসমূহ অতি কম সময়ৰ ভিতৰত আঁকি দি মোক সহায় কৰা মৰমৰ ভাইটি মিঠু ৰায়, হৰফুল্ল ৰাভা আৰু ত্ৰিদীপ ৰয় এই তিনিওজনলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌ শেষত আলোচনীখন অতি কম সময়ৰ ভিতৰত প্ৰকাশ কৰি উলিওৱাত পাৰ্য্যমানে সহায় আগবঢ়োৱা হ'ৱাইট লিফ্ পাব্লিকেশ্বন, ধূপধৰাৰ স্বত্বাধিকাৰী শ্ৰীহিতেশ ৰায়দেৱলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। তেখেতে বহু কষ্টেৰে আলোচনীখন কম সময়ৰ ভিতৰত মোৰ হাতত তুলি দিয়ে আৰু প্ৰকাশৰ উপযোগী কৰি তোলে। মোৰ সকলো কাৰ্যতে দিহা-পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক মাননীয় শ্ৰীযুত ভূপতি দাস ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেওঁৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰম। তেখেতে মোক আলোচনীখন প্ৰকাশৰ বাবে সম্পূৰ্ণ দায়িত্ব দি যি অভিজ্ঞতা আহৰণত সহায় কৰিলে সেই অভিজ্ঞতাৰে মই আগলৈ এনেধৰণৰ কাৰ্যত নিজৰ ভূমিকা আগবঢ়াব পাৰিম। মই প্ৰথমতে এই বিষয়ত একেবাৰে জ্ঞান শূন্য হৈ আছিলো, এতিয়া মই এই পদবীত অধিষ্ঠিত হৈ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰাৰ দায়িত্বভাৰ লোৱাৰ পিছত মোৰ সেই বিষয়ৰ ওপৰত বহুখিনি জ্ঞান আয়ত্ব কৰিব পাৰিলো বুলি নিশ্চিত ভাবে ক'ব পাৰো।

বিকালী মহাবিদ্যালয়ৰ আলোচনী 'বিকালিয়ান' খনে সাহিত্যাকাশত জিলিকি উঠক তাৰেই কামনা কৰিলো লগতে বিকালী মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি তথা উত্তৰোত্তৰ ভৱিষ্যত কামনা কৰি আকৌ এবাৰ সমূহ মহাবিদ্যালয় কৰ্তৃপক্ষ, অধ্যাপক, অধ্যাপিকা, দাদা-বাইদেউ, ভাইটি-ভণ্টি তথা বন্ধু-বান্ধৱীসকলোকে অনিচ্ছাকৃত ভাবে ৰৈ যোৱা সকলো ভুলৰ ক্ষমা প্ৰাৰ্থনা বিচাৰি সম্পাদকীয়ৰ সামৰণি মাৰিলো।

"জয়তু বিকালিয়ান"

"জয়তু বিকালী মহাবিদ্যালয়, ধূপধৰা"

বিনম্ৰতাৰে..

**মৌমিতা ৰয়**

সম্পাদিকা, বিকালিয়ান

●●●

# বিকালিয়ানৰ ভিতৰ চ'ৰা

পৃষ্ঠা

## প্ৰবন্ধ শিতান


- শিক্ষা ঃ সামাজিক প্ৰগতিৰ চাবিকাঠি • স্বৰ্ণ লতা দাস ১৫
- চেমুৱেল বেকেটৰ ৱেটিং ফৰ গুড্ • প্ৰশান্ত পাঠক ১৯
- অসমৰ সংস্কৃতিলৈ জাতি-জনজাতিসকলৰ অৱদান • অদিতি ৰয় ২১
- নব ভাৰতৰ ৰূপকাৰ এক অনন্য ব্যক্তিত্বৰ অধিকাৰী অটল বিহাৰী বাজপেয়ী • মৌমিতা ৰয় ২৩
- অটল বিহাৰী বজপেয়ীৰ জীৱন পৰিক্ৰমা • মৌমিতা ৰয় ২৫
- ৰাভাসকলৰ পৰম্পৰাগত সাজপাৰ আৰু পৰম্পৰাগত নৃত্য-গীত • ডেইজী দাস ২৭
- ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু বিকালী ৰাইজৰ অংশগ্ৰহণ • কপিল দাস ২৯
- শিশুৰ ব্যক্তিত্ব বিকাশত চিত্ৰাংকণৰ ভূমিকা • কীৰ্তিনাথ ৰাভা ৩১
- পাতি ৰাভা সমাজত প্ৰচলিত
  কিছুমান বনৰীয়া শাক-পাচলি আৰু ইয়াৰ ঔষধি গুণ • বিকাশ ৰাভা ৩৩
- ভয় • জুহিস্মিতা ৰয় ৪০
- Agriculture Problems of North East India • Minakshi Nath ৪২


## সাক্ষাৎকাৰ


- বিকালী মহাবিদ্যালয়ৰ সৈতে জড়িত দুগৰাকী কাণ্ডাৰী পুৰুষ ঃ এক চমু সাক্ষাৎকাৰ ৪৫


## গল্প শিতান


- উদাস বৰুৱাৰ কলম • ৰশেল চৌধুৰী ৫১
- নিহাৰিকা • বিকাশ ৰাভা ৫৩
- স্মৃতিৰ পাত এখিলা • নিতুল নাথ ৫৮
- বানৰ সোঁতৰ কিৰিলি • মিতালী কলিতা ৬২


## কবিতা শিতান


- বিলাই যাম এটি এটিকৈ • হৰফুল্ল ৰাভা ৬৩
- ৰাজবাৰী • জিকুমণি ৰাভা ৬৪
- শূন্যতাৰ আৰ্তি • লিপিকা কলিতা ৬৪
- বেশ্যা • ধনজ্যোতি ৰয় ৬৫

# কবিতা শিতান


| | | |
|---|---|---|
| বিকালী তুমি অনন্যা | মৌমিতা ৰয় | ৬৬ |
| মা | বেণুধৰ ৰাভা | ৬৭ |
| পোৱাৰ সময় | সুস্মিতা দাস | ৬৭ |
| কোন তুমি | প্ৰিয়া চন্দ | ৬৮ |
| অতীত | হিমাশ্ৰী দাস | ৬৮ |
| বিষাদৰ প্ৰেম | অমৃত বৰ্মন | ৬৯ |
| অমাবস্যা | প্ৰাণজিৎ দাস | ৬৯ |
| সপোন সৰা মোৰ চোতালত | ধৃতিস্মিতা নাথ | ৭০ |
| কোনটো বাটেৰে খোজ কাঢ়িবা | চিম্পী ৰাভা | ৭০ |
| বি চি ডিৰ মৰম লগা চৰাইজনী | ত্ৰৈলোক্য নাথ | ৭১ |
| বিপ্লৱ | অসীম কছাৰী | ৭১ |
| অপূৰ্ণতা | নিকিতা খাখলাৰী | ৭২ |
| জয় আই অসম | ধ্ৰুৱ দাস | ৭২ |
| ভালপোৱা | কুলধৰ ৰাভা | ৭৩ |
| মৰম এজাক ধুমুহা | পৰাগ কলিতা | ৭৩ |
| শৈশৱ | গীতিমা দাস | ৭৪ |
| সাঁকো | মিঠু ৰয় | ৭৪ |


# বড়ো শিতান


| | | |
|---|---|---|
| बारहुंखा | डº सीमाश्री दैमारी | ७५ |
| बर' बारदल | जुलि दैमारी | ७৮ |
| बिकाली मौ ानि बर, सुबूं | धनमनि बसुमतारी | ৮২ |
| बिकाली फरायसालीमा:मोनसे सावारयनाय | पल्लबी खाखोलारी | ৮৬ |
| जिउनि थांखि थरायना | डेइजि दैमारी | ৮৯ |
| अनसुला रजे | ममता दैमारी | ৮৯ |
| अन्जालु | ज्योतिका बर' | ৯০ |
| बेसेन | प्रीतिशा बसुमतारी | ৯০ |
| नों फैगोबा | निर्मल बर' | ৯১ |
| निहिर | निसामनि बर' | ৯১ |
| बर' फिसानि मिजिं | सुसमिता बसुमतारी | ৯২ |
| आयै | सुसमिता बर' | ৯২ |
| फैमालनि देंखौ | सिलपि बर' | ৯৩ |

- বিমলা হাজোৱাৰি
- গোসৌনি সাননায়ফাৰি ৯৩
- অসমৰ কেইটামান অসম তথ্য ৯৪


## প্ৰতিবেদন


- সভানেত্ৰীৰ প্ৰতিবেদন ৯৫
- উপ-সভাপতিৰ প্ৰতিবেদন ৯৬
- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ৯৭
- সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ৯৯
- আলোচনী সম্পাদকৰ প্ৰতিবেদন ১০০
- সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ১০২
- সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ১০৩
- গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ১০৪
- লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ১০৫
- ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ১০৬
- ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ১০৭


## ভিন্ন শিতান


- Result of Final Examination, 2017 ১০৮
- Result of Final Examination, 2018 ১০৯
- ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপক ছাত্ৰ-ছাত্ৰীৰ নাম তালিকা ১১০
- ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপক ছাত্ৰ-ছাত্ৰীৰ নাম তালিকা ১১১
- বিকালী মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকসকল ১১৫
- বিকালী মহাবিদ্যালয়ৰ আলোচনী বিকালিয়ানৰ সম্পাদকসকল ১১৬


●●●